ছুবহা-নাল্লাহ, অলহাম্দুলিল্লাহ, অলা ইলা-হা ইল্লাল্লাহ, অল্লাহু আকবাৰ পাঠ কৰাটো মোৰ ওচৰত সেইবোৰ বস্তুতকৈও অধিক পছন্দনীয়, যিবোৰ বস্তুৰ ওপৰত সূৰ্য্য উদয় হয়।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ ছুবহা-নাল্লাহ, অলহাম্দুলিল্লাহ, অলা ইলা-হা ইল্লাল্লাহ, অল্লাহু আকবাৰ পাঠ কৰাটো মোৰ ওচৰত সেইবোৰ বস্তুতকৈও অধিক পছন্দনীয়, যিবোৰ বস্তুৰ ওপৰত সূৰ্য্য উদয় হয়।
[ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, এই গুৰুত্বপূৰ্ণ বাক্য কেইটাৰ জৰিয়তে আল্লাহক স্মৰণ কৰাটো দুনিয়া আৰু ইয়াৰ ভিতৰত থকা সকলো বস্তুতকৈ উত্তম। সেই শব্দ কেইটা আৰু তাৰ ভাৱাৰ্থ হৈছে যেনে- "ছুবহা-নাল্লাহ": অৰ্থাৎ মহান আল্লাহ সকলো প্ৰকাৰ দোষ-ত্ৰুটিৰ পৰা পৱিত্ৰ। আলহাম্দুলিল্লাহঃ অৰ্থাৎ সন্মান আৰু মুহাব্বত সহকাৰে পূৰ্ণাংগ গুণাৱলী আৰু সকলো প্ৰকাৰ প্ৰশংসাৰ অধিকাৰী একমাত্ৰ মহান আল্লাহ। "লা ইলাহা ইল্লাল্লাহঃ" অৰ্থাৎ আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই। "আল্লাহু আকবাৰঃ" অৰ্থাৎ আল্লাহ সকলোতকৈ মহান, সৰ্বোচ্চ।

http://www.sunnah.global/hadeeth/as/show/6211